**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা ড'নাৰমন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। ফোৰ জি তথা ফাইভ জি আৰু উচ্চ গতিসম্পন্ন ইণ্টাৰনেট সেৱা বৃদ্ধিৰে অসমত ডিজিটেল আন্তগাঠনি উন্নত কৰা, টেলিকম আন্তঃগাঁঠনি সেৱাৰ বাবে দক্ষ মানৱ সম্পদ বিকশিত কৰাৰ পথ প্ৰশস্তকৰণ, বানপীড়িত এলেকাত নেটৱৰ্ক ক্ষীপ্ৰতাৰে পুনঃসংযোগকৰণ নিশ্চিত কৰাৰ বাবে শেহতীয়া প্ৰযুক্তি গ্ৰহণকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিষয়ত মন্ত্ৰী দুগৰাকীয়ে আলোচনাত লিপ্ত হয়। ইয়াৰ উপৰিও উত্তৰ পূৱ পৰিষদৰ সৈতে উন্নত সমন্বয় আৰু ড'নাৰৰ দ্বাৰাৰ অনুমোদিত আঁচনিসমূহৰ দ্ৰুত ৰূপায়নৰ বিষয়েও ড'নাৰমন্ত্ৰীগৰাকীয়ে আলোচনাত উল্লেখ কৰে।

০০০০

অসম কন্যা যুৱ বিজ্ঞানী বৃন্দা কাশ্যপে ২০২৪ বৰ্ষৰ কাৰণে ইউনেস্কোৰ মেন এণ্ড বায়'ডাইভাৰছিটি য়ং চাইণ্টিষ্ট বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। দেশৰ ভিতৰত একমাত্ৰ যুৱ বিজ্ঞানী হিচাপে এই সন্মান লাভ কৰিবলৈ সমৰ্থ হোৱা শ্ৰীকাশ্যপক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে যুৱ বিজ্ঞানীগৰাকীৰ সফল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ১৯৮৯ চনত প্ৰৱৰ্তন কৰা ইউনেস্কোৰ এই বঁটাত জৈৱ বৈচিত্ৰ, প্ৰাকৃতিক সম্পদ আৰু পৰিবেশ তন্ত্ৰ বিষয়ত গৱেষণা কৰি থকা যুৱ বিজ্ঞানীসকলক উৎসাহিত কৰাৰ বাবে ৫ হাজাৰ ইউ এছ ডলাৰৰ গৱেষণা সাহায্য আগবঢ়োৱা হয়।

০০০০

৭ খন ৰাজ্যৰ ১৩ টা বিধানসভা সমষ্টিৰ বাবে ১০ জুলাইত অনুষ্ঠিত উপ নিৰ্বাচনৰ প্ৰথম ৭ টা সমষ্টিৰ ফলাফল ইতিমধ্যে ঘোষণা হৈছে। পঞ্জাবৰ জলন্ধৰ পশ্চিম সংৰক্ষিত বিধানসভা আসনত শাসকীয় আম আদমী পাৰ্টীয়ে জয়লাভ কৰিছে। হিমাচল প্ৰদেশত শাসকীয় দল কংগ্ৰেছে দুখন আসন লাভ কৰাৰ বিপৰীতে বিজেপিয়ে এখন আসন লাভ কৰিছে। ইফালে, পশ্চিমবংগত শাসকীয় পক্ষ তৃণমূল কংগ্ৰেছে ৰাইগঞ্জ, ৰাণাঘাট দক্ষিণ আৰু বাগদাৰ আসনত জয়লাভ কৰিছে। উত্তৰাখণ্ডৰ বদ্ৰীনাথ বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী লাখপট সিং বুটলাই জয়লাভ কৰিছে।

বাকী থকা ৭ খন বিধানসভা সমষ্টিৰ বাবে গণনা চলি আছে। শেহতীয়া খবৰ অনুযায়ী বিহাৰৰ ৰূপাৱলী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী শংকৰ সিং, কেইবাহাজাৰ ভোটৰ ব্যৱধানত আগবাঢ়ি থকাৰ বিপৰীতে তামিলনাডুত ডি এম কেৰ প্ৰাৰ্থী আমিউৰ চিভাই বিক্ৰবান্দি বিধানসভা সমষ্টিত বিপুল ব্যৱধানেৰে অগ্ৰগতি লাভ কৰিছে।

০০০০

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনস্থ ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছ্ফোৰে আজি ধুবুৰী চহৰৰ কেইবাটাও হৰিজন কলনিলৈ গৈ সম্প্ৰদায়টোৰ লোকসকলৰ দৈনন্দিন জীৱন যাপনৰ মানৰ বুজ লয়। অধ্যক্ষগৰাকীয়ে হৰিজন সম্প্ৰদায়ৰ লোকসকলৰ বিভিন্ন সমস্যাৰ  বিষয়ে আলোচনা কৰাৰ লগতে বানপানীৰ সময়ত সম্প্ৰদায়টোৱে নিৰ্ধাৰিত বান সাহায্য লাভ কৰিছেনে নাই সেই বিষয়েও খতিয়ান লয়। চহৰখনৰ ডি কে ৰোডৰ কাষত থকা হৰিজন কলনি পৰিদৰ্শন কৰি শ্ৰীবাছ্ফোৰে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। ধুবুৰী পৌৰ সভাৰ উপ সভানেত্ৰীৰ লগতে কাৰ্যবাহী বিষয়া তথা বিভিন্ন সমাজসেৱী সংগঠনৰ প্ৰতিনিধি উপস্থিত থকা সভাখন সম্পৰ্কে শ্ৰীবাছ্ফোৰে সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হৰিজন সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থসামাজিক উন্নয়নৰ কাৰণে বিশেষ কাৰ্যপন্থা হাতত লৈছে। ইয়াৰ অধীনত সম্প্ৰদায়টোৰ ধুবুৰীৰ বাসিন্দাসকলৰ উন্নয়নৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ আজি জানিবলৈ দিয়ে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ঠিকাভিত্তিক সম্পাদনা সহায়ক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক পদত নিযুক্তিৰ  বাবে কাইলৈ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। মুঠ ১০০ নম্বৰৰ এই পৰীক্ষা দিনৰ ১১ বজাৰ পৰা ১ বজালৈকে অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক দিনৰ ১০ বজাত যাৱতীয় তথ্যপাতিৰ লগতে ফটো পৰিচয়  পত্ৰসহ পৰীক্ষাস্থলীত উপস্থিত হ'বলৈ কোৱা হৈছে।

০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ নিশা চাৰে ১২ বজাত বাৰ্লিনত স্পেইন আৰু আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। খেলখনত স্পেইন অভিলেখ সংখ্যক চতুৰ্থবাৰৰ বাবে খিতাপ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে। ইংলেণ্ডে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰোকাপৰ ফাইনেল খেলিব। ছেমিফাইনেলত স্পেইনে ২-১ গলত ফ্ৰান্সক আৰু একেই ব্যৱধানত ইংলেণ্ডে নেডাৰলেণ্ডছক পৰাজিত কৰিছিল।

আন এখন মহাদেশীয় ফুটবল প্ৰতিযোগিতা ক'পা আমেৰিকাক কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে পাঁচ বজাত মিয়ামিত হ'বলগীয়া ফাইনেল খেলত আৰ্জেণ্টিনা, কলম্বিয়া বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেমিফাইনেলত কলম্বিয়াই উৰুগুৱেক আৰু আৰ্জেণ্টিনাই কানাডাক পৰাজিত কৰিছিল। আৰ্জেণ্টিনাই তৃতীয়বাৰৰ বাবে খিতাপ জয়ৰ চেষ্টা চলাব। আনহাতে কলম্বিয়াই দ্বিতীয়বাৰৰ বাবে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চুড়ান্ত বিজয়ী হোৱাৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব। কোপা আমেৰিকা ফুটলৰ প্ৰতিযোগিতাৰ ইতিহাসত আৰ্জেণ্টিনা আৰু উৰুগুৱে হৈছে আটাইতকৈ সফল দল। দুয়োটা দলে ১৫ বাৰকৈ এই প্ৰতিযোগিতাত বিজয়ী হৈছে।

০০০০

সমাপ্ত